# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 04-12-2024
**Time :** 1845 Hrs

## *Assamese Evening Bulletin*
## *Headlines*

- - - - - - - - - - - - - -

১। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ ৰাজ্যৰ হাইড্ৰ'কাৰ্বন উদ্যোগৰ ক্ষেত্ৰখনক শক্তিশালী কৰি তোলাৰ বাবে কেন্দ্ৰীয় চৰকাৰক সহযোগৰ আহ্বান।

২। বঙাইগাঁও শোধনাগাৰৰ শোধন ক্ষমতা বৃদ্ধি, নাৰেঙ্গী-কুৰুৱা দলংসহ গুৱাহাটী ৰিং ৰোডৰ নিৰ্মাণৰ আধাৰশিলা স্থাপন আদিকে ধৰি কেইবাটাও প্ৰকল্পৰ বাবে অতি সোনকালে কেন্দ্ৰীয় চৰকাৰৰ অনুমোদন বিচৰা বুলি মুখ্যমন্ত্ৰীৰ প্ৰকাশ।

৩। ৰাজ্যৰ স্বাস্থ্য খণ্ডৰ সৰ্বাংগীণ উন্নয়নৰ লক্ষ্যৰে সমগ্ৰ অসমত তৃতীয় স্বাস্থ্য সেৱা উৎসৱ অব্যাহত।

৪। আন্তঃৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন অভিনেত্ৰী সীমা বিশ্বাসলৈ ২০২৪ বৰ্ষৰ আইদেউ সন্দিকৈ সোঁৱৰণী শিল্পী বঁটা।

**আৰু**

৫। শ্বাৰজাহত অনুষ্ঠিত ১৯ বছৰ অনুৰ্ধ্বৰ এছিয়া কাপ ক্ৰিকেট প্ৰতিযোগিতাৰ গ্ৰুপ-এৰ তৃতীয়খন খেলত সংযুক্ত আৰব আমিৰি ৰাষ্ট্ৰৰ বিৰুদ্ধে ভাৰতৰ জয়লাভ।

ooooo

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কেন্দ্ৰীয় পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ দপ্তৰৰ মন্ত্ৰী হৰদীপ সিং পুৰীক সাক্ষাৎ কৰি ৰাজ্যৰ হাইড্ৰ'কাৰ্বন উদ্যোগৰ উন্নয়নৰ ক্ষেত্ৰক শক্তিশালী কৰি তোলাৰ বাবে কেন্দ্ৰৰ সহযোগৰ বাবে অনুৰোধ জনায়। মুখ্যমন্ত্ৰীগৰাকীয়ে শ্ৰীপুৰীক অহা ফেব্ৰুৱাৰী মাহত ৰাজ্যত হ'বলগীয়া **এডভাণ্টেজ আছাম** শীৰ্ষক সন্মিলনৰ বাবেও আমন্ত্ৰণ জনায়। মুখ্যমন্ত্ৰী শৰ্মাৰ লগত এই সাক্ষাতকালত বৈদেশিক পৰিক্ৰমা দপ্তৰৰ ৰাজ্য মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটা আৰু ৰাজ্য চৰকাৰৰ কেইবাজনো জ্যেষ্ঠ বিষয়া উপস্থিত থাকে। উল্লেখযোগ্য যে আজি মুখ্যমন্ত্ৰী শৰ্মাই সংসদ ভৱনত লোকসভাৰ অধ্যক্ষ ওম বিৰলাক সাক্ষাৎ কৰে। ইয়াৰ পূৰ্বে শ্ৰীশৰ্মাই কেন্দ্ৰীয় আইন আৰু ন্যায় মন্ত্ৰী অৰ্জুন ৰাম মেঘৱালকো তেওঁৰ চৰকাৰী বাসভৱনত সাক্ষাৎ কৰে বুলি জানিব পৰা গৈছে।

মুখ্যমন্ত্ৰীগৰাকীয়ে আজি নতুন দিল্লীত এখন সংবাদমেল সম্বোধন কৰি চৰকাৰৰ কেইবাটাও নতুন প্ৰকল্পৰ বিষয়ে সাংবাদিকসকলক অৱগত কৰে। ২৫ ফেব্ৰুৱাৰীৰ আগতে কেইবাটাও প্ৰকল্পৰ অনুমোদনৰ বাবে ৰাজ্য চৰকাৰে চেষ্টা কৰা বুলি তেওঁ উল্লেখ কৰে। ইয়াৰ ভিতৰত বঙাইগাঁও শোধনাগাৰৰ শোধন ক্ষমতা ৫ মিলিয়ন মেট্ৰিক টনলৈ বৃদ্ধিৰ পৰিকল্পনা, নামৰূপৰ সাৰ কাৰখানাৰ পৰিসৰ বৃদ্ধি, অতি সোনকালে নাৰেঙ্গী-কুৰুৱা দলংসহ গুৱাহাটী ৰিং ৰোডৰ নিৰ্মাণৰ আধাৰশিলা স্থাপনৰ ব্যৱস্থা, কাজিৰঙাৰ এলিভেটেড কৰিডৰ সন্দৰ্ভত সিদ্ধান্ত গ্ৰহণ, বৰাপানীৰ পৰা শিলচৰ পথছোৱা ৪ ঘণ্টাত অতিক্ৰমৰ ব্যৱস্থা আদি কেইবাটাও প্ৰকল্পৰ কথা তেওঁ উল্লেখ কৰে।

০০০০০

ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই আজি নগাঁও জিলাত উপস্থিত হৈ বিভিন্ন উন্নয়নমূলক কাম-কাজ পৰিদৰ্শন কৰে। ভ্ৰমণৰ প্ৰথম পৰ্যায়ত ৰাজ্যপালগৰাকীয়ে ৰহা ৰাজহ চক্ৰৰ অধীনত ৰূপায়িত হৈ থকা বিভিন্ন আঁচনি পৰিদৰ্শন কৰে। ইয়াৰ পাছতে তেওঁ ৰহাৰ বগলাজানত উপস্থিত হৈ ৰহা-কামপুৰ পথৰ কপিলী নৈৰ খহনীয়া পৰিদৰ্শন কৰে। উল্লেখযোগ্য যে চলিত বছৰৰ বানত পথটোৰ সেই অঞ্চলত কপিলী নৈৰ গৰাখহনীয়াৰ ফলত যাতায়ত ব্যাহত হৈছিল। ইয়াৰ পাছতে ৰাজ্যপালগৰাকীয়ে অঞ্চলটোৰ বান ক্ষতিগ্ৰস্ত জনসাধাৰণৰ বিভিন্ন সা-সুবিধাৰ বুজ লোৱাৰ লগতে তেওঁলোকে চৰকাৰী সাহায্য লাভ কৰিছে নে নাই সেই বিষয়ে বুজ লয়। ৰাজ্যপাল শ্ৰীআচাৰ্যই ইয়াৰ পাছতে বগলাজান পঞ্চায়তৰ ধেমাজি গাঁৱত নিৰ্মাণ কৰা অমৃত সৰোবৰ প্ৰকল্প পৰিদৰ্শন কৰে। তেওঁৰ এই ভ্ৰমণৰ অংশ হিচাপে বাহাকাবাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত উপস্থিত হৈ ছাত্ৰ-ছাত্ৰীৰ সৈতে মত বিনিময় কৰে। লগতে ৰহাৰ তিনিসূঁতিত নিৰ্মীয়মান গৰাখহনীয়া প্ৰতিৰোধৰ কাম-কাজ পৰিদৰ্শন কৰে।

০০০০০

ৰাজ্যৰ স্বাস্থ্য খণ্ডৰ সৰ্বাংগীণ উন্নয়নৰ লক্ষ্যৰে সমগ্ৰ অসমত কালিৰে পৰা তিনিদিনীয়া কাৰ্যসূচীৰে তৃতীয় স্বাস্থ্য সেৱা উৎসৱ অনুষ্ঠিত হৈছে। ২০২২ বৰ্ষৰ পৰা ৰাজ্যখনৰ স্বাস্থ্য খণ্ডৰ সৰ্বাত্মক মূল্যায়নৰ বাবে এই কাৰ্যসূচী গ্ৰহণ কৰি অহা হৈছে। এই উৎসৱৰ সময়ছোৱাত ৰাজ্যৰ প্ৰায় এহেজাৰ ছশ স্বাস্থ্য কেন্দ্ৰত চিকিৎসা সেৱা আৰু আন্তঃগাঁথনি মূল্যায়ন কৰা হ'ব।

আমাৰ আগৰ বাতৰিত কোৱা হৈছে যে **কামৰূপ** মহানগৰ জিলাৰ ৫৬টা স্বাস্থ্য কেন্দ্ৰ, **শিৱসাগৰৰ** ৪৫ খন চিকিৎসালয়, **মাজুলীৰ** ১৬টা স্বাস্থ্য কেন্দ্ৰ, **দৰং** জিলাত ৪৭টা স্বাস্থ্য কেন্দ্ৰ, **তিনিচুকীয়াৰ** ১৭ খন চিকিৎসালয় আৰু ৫টা আয়ুষ্মান আৰোগ্য মন্দিৰৰ লগতে কমেও ৫৫ খন চিকিৎসা প্ৰতিষ্ঠান, **গোলাঘাট** জিলাৰ ৭১ খন আৰু **নগাঁও** জিলাৰ ৩২ খন চৰকাৰী চিকিৎসালয়, **চৰাইদেউ** জিলাৰ ৩৮টা আৰু **কাৰ্বি আংলং** জিলাৰ ৩৬টা চিকিৎসা প্ৰতিষ্ঠানত তিনিদিনীয়াকৈ স্বাস্থ্য সেৱা উৎসৱ অনুষ্ঠিত হ'ব। একেদৰে **লখিমপুৰ** জিলাত ৫২ খন চিকিৎসালয়, **বঙাইগাঁও** জিলাৰ ২৯টা স্বাস্থ্যকেন্দ্ৰ, **ওদালগুৰি** জিলাৰ ৫০ খন চিকিৎসালয়, **চিৰাং** জিলাৰ ৩৪টা স্বাস্থ্য কেন্দ্ৰ, **নলবাৰী** জিলাৰ ৫৮ খন চিকিৎসালয় আৰু **দক্ষিণ শালমাৰা মানকাচৰ** জিলাৰ হাটশিঙিমাৰীৰ ১৭টা স্বাস্থ্যকেন্দ্ৰতো এই কাৰ্যসূচী ৰূপায়ণ কৰা হৈছে। গোৱালপাৰা জিলাত ৫১টা চৰকাৰী স্বাস্থ্য প্ৰতিষ্ঠানক সামৰি এই কাৰ্যসূচী অনুষ্ঠিত হৈছে। ইয়াৰ বাবে জিলা প্ৰশাসনে ১৭টা দুজনীয়া দল গঠন কৰি চিকিৎসা প্ৰতিষ্ঠানসমূহ মূল্যায়নৰ ব্যৱস্থা কৰিছে। চিৰাং জিলাৰ কেইবাটাও স্বাস্থ্যকেন্দ্ৰত কালিৰে পৰা তৃতীয় স্বাস্থ্য সেৱা উৎসৱ অনুষ্ঠিত হৈছে।

এই উৎসৱৰ সৈতে সংগতি ৰাখি আজি গুৱাহাটীত বিধায়ক ৰমেন্দ্ৰ নাৰায়ণ কলিতাৰ লগতে বিশেষ সঞ্চালকপ্ৰধান হৰমিত সিঙে ধীৰেণপাৰা এফ আৰ ইউ আৰু অসম আৰক্ষীৰ সঞ্চালকপ্ৰধান জি পি সিঙে সোণাপুৰ জিলা চিকিৎসালয় পৰিদৰ্শন কৰি চিকিৎসালয়খনকেইখনৰ সামগ্ৰিক পৰিস্থিতিৰ বুজ লয়। একেদৰে আন আন জিলাসমূহতো ৰাজ্য চৰকাৰৰ বিভিন্ন পৰ্যায়ৰ বিষয়াই আজি বহিঃমূল্যায়ক হিচাপে চিকিৎসালয় তথা চিকিৎসা কেন্দ্ৰবোৰৰ মান নিৰূপণ কৰে। এইক্ষেত্ৰত চিকিৎসালয়বোৰৰ চিকিৎসা ব্যৱস্থা, সা-সুবিধা, ৰোগীৰ প্ৰতি চিকিৎসক তথা স্বাস্থ্যকৰ্মীৰ ব্যৱহাৰ আদি সকলো দিশৰ পৰ্যালোচনা কৰা হয়।

০০০০০

আন্তঃৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন অভিনেত্ৰী সীমা বিশ্বাসক ২০২৪ বৰ্ষৰ আইদেউ সন্দিকৈ সোঁৱৰণী শিল্পী বঁটা প্ৰদান কৰা হ'ব। সদৌ অসম লেখিকা সমাৰোহ সমিতিয়ে প্ৰথম অসমীয়া চলচ্চিত্ৰ জয়মতীৰ নাম ভূমিকাত অভিনয় কৰা শিল্পী আইদেউ সন্দিকৈৰ অহা ১৭ ডিচেম্বৰত মৃত্যু তিথি উপলক্ষে তেওঁৰ সোঁৱৰণত এই বঁটা প্ৰদান কৰিব।

গোলাঘাট জিলাৰ বোকাখাত নাট্য মন্দিৰত আয়োজিত এখন সংবাদ মেলত আজি লেখিকা সমাৰোহ সমিতিৰ সভানেত্ৰী সুবৰ্ণ শইকীয়াই এই বঁটা প্ৰদানৰ কথা ঘোষণা কৰে।

০০০০০

অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদে পৰিষদৰ যুটীয়া সচিব ৰঞ্জন কুমাৰ দাসক পৰিষদৰ দ্বিতীয় মণ্ডলৰ নতুন পৰীক্ষা নিয়ন্ত্ৰক হিচাপে নিযুক্তি দিছে। পূৰ্বৰ পৰীক্ষা নিয়ন্ত্ৰক পংকজ বৰঠাকুৰ দীৰ্ঘদিন ধৰি অকৰ্তৃশীলভাৱে কৰ্তব্যত অনুপস্থিত থকাৰ বাবে তেওঁক এই পদৰ পৰা অব্যাহতি দিয়া হৈছে। শ্ৰীদাসে ২০২৫ বৰ্ষৰ উচ্চতৰ মাধ্যমিক চূড়ান্ত আৰু উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষৰ পৰীক্ষাৰ বাবে নিয়ন্ত্ৰকৰ দায়িত্ব বহন কৰিব বুলি পৰিষদে এখন বিজ্ঞপ্তিত প্ৰকাশ কৰিছে।

০০০০০০০

শোণিতপুৰ জিলাৰ সোণাই-ৰূপাই অভয়াৰণ্যত প্ৰথমবাৰৰ বাবে এটা ঢেকীয়াপতীয়া বাঘৰ বিচৰণ ধৰা পৰিছে। অভয়াৰণ্যখনত প্ৰতিস্থাপিত কেমেৰাত এই বিচৰণ ধৰা পৰিছে। এই ঢেকীয়াপতীয়া বাঘটোৰ উপস্থিতিয়ে বন্যপ্ৰাণী সংৰক্ষণৰ ক্ষেত্ৰত অভয়াৰণ্যখনে লোৱা যোগাত্মক ভূমিকাক প্ৰতিফলিত কৰিছে।

০০০০০

অসম কৃষি বিশ্ববিদ্যালয় আৰু তিনিচুকীয়া কৃষি বিজ্ঞান কেন্দ্ৰৰ উদ্যোগত তিনিচুকীয়া জিলাৰ কৃষি বিজ্ঞান কেন্দ্ৰত আজিৰে পৰা কৃষিজাত সামগ্ৰীৰ ব্যৱসায়ীসকলৰ এটা ১২-দিনীয়া প্ৰশিক্ষণ কাৰ্যসূচী অনুষ্ঠিত হৈছে। এই প্ৰশিক্ষণ কাৰ্যসূচীত জিলাৰ কৃষি বিজ্ঞান কেন্দ্ৰৰ মুৰব্বী তথা জ্যেষ্ঠ বিজ্ঞানী মৃন্ময় চেতিয়া আৰু শস্য প্ৰতিৰক্ষা বিভাগৰ বিশেষজ্ঞ ড০ শাৰদী বৰুৱাই ব্যৱসায়ীসকলক সুসংহত কীট আৰু শস্যৰ ব্যৱস্থাপনা, ৰাসায়নিক কীটনাশক আদিৰ সীমিত আৰু যথোপযুক্ত ব্যৱহাৰ আদিৰ সন্দৰ্ভত সবিশেষ অৱগত কৰে। এই কাৰ্যসূচীত কৃষিৰ লগত জড়িত বিভিন্ন বিভাগৰ বিশেষজ্ঞসকলে প্ৰশিক্ষণ প্ৰদান কৰিব। এই প্ৰশিক্ষণ কাৰ্যসূচীত ৪০গৰাকী কৃষি সামগ্ৰীৰ ব্যৱসায়ীয়ে অংশগ্ৰহণ কৰিছে।

০০০০০

শোণিতপুৰ জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত আজি জিলা উন্নয়ন সমিতিৰ এখন পৰ্যালোচনা বৈঠক অনুষ্ঠিত হয়। জিলা আয়ুক্তৰ সভাপতিত্বত অনুষ্ঠিত সভাত জিলাখনৰ বিভিন্ন বিভাগৰ অধীনত ৰূপায়িত ধ্বজাবাহী আঁচনিসমূহৰ বৰ্তমানৰ স্থিতি আৰু অগ্ৰগতিৰ পৰ্যালোচনা কৰা হয়। বৈঠকত কৃষি, গৃহ নিৰ্মাণ, নগৰ পৰিক্ৰমা আৰু অন্যান্য উন্নয়নমূলক প্ৰকল্পসমূহৰ সন্দৰ্ভত সবিশেষ আলোচনা কৰা হয়। জিলা আয়ুক্তগৰাকীয়ে জিলাখনৰ কৃষকসকলৰ সুবিধাৰ প্ৰতি লক্ষ্য ৰাখি ধান ক্ৰয় কেন্দ্ৰ স্থাপন আৰু কৃষকৰ সুবিধাৰ বাবে বিভিন্ন হিতাধিকাৰীৰ পঞ্জীয়ন নিশ্চিত কৰিবলৈ সংশ্লিষ্ট কৰ্তৃপক্ষক নিৰ্দেশ দিয়ে। আজিৰ সভাত হাতী আৰু মানুহৰ সংঘাতৰ সমস্যাৰ ওপৰত আলোচনা কৰি হাতীৰ দ্বাৰা ক্ষতিগ্ৰস্ত লোকসকলক ক্ষতিপূৰণ দিয়াটো নিশ্চিত কৰিবলৈ বন বিভাগক নিৰ্দেশ দিয়ে। তেওঁ লগতে অনাগত বিধানসভা সমষ্টি পৰ্যায়ৰ খেল মহাৰণ ২.০ৰ পৰিকল্পনা আৰু হেলমেট পৰিধান নকৰা লোকৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণৰ পোষকতা কৰে।

০০০০০

ধুবুৰীৰ ঐতিহ্যমণ্ডিত শ্ৰীগুৰু টেগ বাহাদুৰ ছাহিব গুৰুদ্বাৰাত কাইলৈৰ পৰা তিনিদিনীয়া কাৰ্যসূচীৰে ৩৪৯ সংখ্যক শ্বহীদী দিৱস পালন কৰা হ'ব। শিখসকলৰ নৱম গুৰু টেগ বাহাদুৰে স্থাপন কৰা ধুবুৰীৰ এই গুৰুদ্বাৰাত আয়োজিত এই দিৱসৰ কাৰ্যসূচীত অংশ ল'বলৈ অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ লগতে দেশ-বিদেশৰ পৰা বহুলোক ধুবুৰীলৈ অহা পৰিলক্ষিত হৈছে। বিগত বছৰবোৰৰ দৰে এইবাৰো উত্তৰ-পূব সীমান্ত ৰে'লৱে কৰ্তৃপক্ষই শ্বহীদী দিৱস

উপলক্ষে ডিব্ৰুগড়-ধুবুৰী এখন বিশেষ যাত্ৰীবাহী ৰে'লৰ ব্যৱস্থা কৰিছে। এই বিশেষ ৰে'লগাড়ীখন কাইলৈ পুৱতি নিশা ধুবুৰীত উপস্থিত হোৱাৰ কথা। আনহাতে তিনিদিনীয়া এই শ্বহীদী দিৱসৰ সামৰণিৰ দিনটো অৰ্থাৎ অহা ৭ ডিচেম্বৰৰ বিয়লি ধুবুৰীৰ পৰা ডিব্ৰুগড়লৈ আন এখন বিশেষ ৰে'লগাড়ীৰো ব্যৱস্থা কৰা হৈছে বুলি ৰে'ল কৰ্তৃপক্ষই জানিবলৈ দিছে।

০০০০০

অসমৰ ছয় জনগোষ্ঠীৰ জনজাতিকৰণৰ বাবে কংগ্ৰেছৰ সাংসদ গৌৰৱ গগৈয়ে লোকসভাত আহ্বান জনাইছে। ২০১৯ বৰ্ষৰে পৰা ৰাজ্যৰ মৰাণ, মটক, টাই-আহোম, কোচ ৰাজবংশী, চুতীয়া আৰু চাহ জনগোষ্ঠীৰ লোকসকলক জনজাতিৰ মৰ্যাদা দিয়াৰ বাবে দাবী উত্থাপিত হৈ আহিছে যদিও আজিও এই দাবী বাস্তৱত পৰিণত নহ'ল বুলি উল্লেখ কৰি সাংসদগৰাকীয়ে কয়, যে এই ছটা জনগোষ্ঠীক জনজাতিৰ মৰ্যাদা দিলে ৰাজ্যত ইতিমধ্যে থকা জনজাতীয় লোকসকলৰ কোনো অসুবিধা নহ'ব। এই ক্ষেত্ৰত তেওঁ কয়, যে ৰাজ্যৰ জনজাতীয় জনগোষ্ঠীসমূহৰ সুৰক্ষাৰ বাবে ইতিমধ্যে স্বায়ত্তশাসিত পৰিষদ আছে আৰু পৰিষদসমূহে নিজৰ নিজৰ জনগোষ্ঠীৰ উন্নয়নৰ হকে কাম কৰি আছে।

**বাইট (গৌৰৱ গগৈ)**

০০০০০

মহাৰাষ্ট্ৰত পৰৱৰ্ত্তী নতুন চৰকাৰ গঠন কৰাৰ বাবে মহায়ুটিৰ নেতা বিজেপিৰ দেৱেন্দ্ৰ ফাড়নবিছ, শিৱসেনাৰ নেতা তথা দায়িত্ব থকা মুখ্যমন্ত্ৰী একনাথ সিন্দে আৰু এন চি পিৰ নেতা অজিত পাৱাৰে আজি মুম্বাইত থকা ৰাজভৱনত ৰাজ্যপাল চি পি ৰাধাকৃষ্ণণনক পৰৱৰ্ত্তী চৰকাৰৰ দাবী উত্থাপন কৰে। তেওঁলোকে ৰাজ্যপাল গৰাকীক মহায়ুটিৰ মুঠ ২৩৭গৰাকী বিধায়কৰ এখন সমৰ্থনপত্ৰ প্ৰদান কৰে। ৰাজ্যপালক সাক্ষাতৰ সময়ত বিজেপিৰ কেন্দ্ৰীয় পৰ্যবেক্ষক, কেন্দ্ৰীয় মন্ত্ৰী নিৰ্মলা সীতাৰমন আৰু গুজৰাটৰ প্ৰাক্তন মুখ্যমন্ত্ৰী বিজয় ৰূপানীৰ লগতে বিধায়ক প্ৰফুল পেটেল, ৰাও চাহেব দানবে, চন্দ্ৰশেখৰ বাৱানকুলে, প্ৰবীণ ডাৰেকাৰ, সুধীৰ মুংগান্টিৱাৰ, গিৰিশ মহাজন আৰু ভালেমান লোক উপস্থিত থাকে।

সংবাদ মাধ্যমক সম্বোধন কৰি দেৱেন্দ্ৰ ফাড়নবিছে কয় যে ৰাজ্যপালে শপত গ্ৰহণৰ বাবে তেওঁলোকক অনুমতি প্ৰদান কৰিছে। মুম্বাইৰ আজাদ ময়দানত কাইলৈ বিয়লি চাৰে ৫ বজাত এই শপত গ্ৰহণ কাৰ্যসূচী অনুষ্ঠিত হ'ব। তেওঁ লগতে কয় যে আজি সন্ধিয়াৰ ভাগত শপত গ্ৰহণ কৰিবলগীয়া নেতাসকলৰ নাম চূড়ান্ত কৰা হ'ব।

০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগত অংশকালীন ব্ৰডকাষ্ট এছিছটেণ্ট নিয়োগৰ বাবে কাইলৈ দিনৰ ১০ বজাৰ পৰা বাতৰি বিভাগৰ সঞ্চালকৰ কক্ষত এটা WALK-IN INTERVIEW অনুষ্ঠিত হ'ব। প্ৰাৰ্থীসকল কাইলৈ পুৱা চাৰে ৯ বজাৰ ভিতৰত আকাশবাণী গুৱাহাটীৰ বাতৰি কক্ষত উপস্থিত হ'ব লাগিব। ২১ বছৰৰ পৰা ৪৫ বছৰ বয়সৰ স্নাতক প্ৰাৰ্থীয়ে এই সাক্ষাৎকাৰত অংশগ্ৰহণ কৰিব পাৰিব। প্ৰাৰ্থীৰ কম্পিউটাৰ বিষয়ক সম্যক জ্ঞান, SOCIAL MEDIA অৰ্থাৎ সামাজিক মাধ্যমত কাম কৰাৰ অভিজ্ঞতা, আকাশবাণীৰ বাতৰি আৰু অনুষ্ঠান সম্পৰ্কীয় সাধাৰণ জ্ঞান থকাৰ লগতে কণ্ঠ বাণীবন্ধন আৰু সম্পাদনাৰ জ্ঞান থাকিব লাগিব। প্ৰাৰ্থী গুৱাহাটী মহানগৰীৰ ভৌগোলিক পৰিসীমাৰ ভিতৰত বাস কৰা হ'ব লাগিব। এই বিষয়ে বিশদ জানিবলৈ ইচ্ছুক প্ৰাৰ্থীসকলে আকাশবাণীৰ জাননী ফলক চাব পাৰে।

০০০০০০০

শ্বাৰজাহত অনুষ্ঠিত ১৯ বছৰ অনুৰ্ধ্বৰ এছিয়া কাপ ক্ৰিকেট প্ৰতিযোগিতাৰ গ্ৰুপ-এৰ তৃতীয়খন খেলত আজি ভাৰতে সংযুক্ত আৰব আমিৰি ৰাষ্ট্ৰক ১০ উইকেটত পৰাস্ত কৰে। খেলখনত ঘৰুৱা দলটোৱে টছত জিকি

প্ৰথমে বেট ধৰি ৪৪ অ'ভাৰত আটাইকেইটা উইকেট হেৰুৱাই ১৩৭ ৰান কৰে। ভাৰতৰ হৈ বৈভৱ সূৰ্যবংশীয়ে ৪৬টা বলত অপৰাজিত ৭৬ ৰান আৰু আয়ুস মহাট্ৰেই ৫১টা বলত ৬৭ ৰান কৰি ভাৰতৰ জয় নিশ্চিত কৰে।

ডুবাইত অনুষ্ঠিত গ্ৰুপ-এৰ আন এখন খেলত আজি পাকিস্তানে জাপানক ১৮০ ৰানৰ বিশাল ব্যৱধানত পৰাস্ত কৰিছে।

০০০০০০০

সমাপ্ত